প্ৰেছ বিজ্ঞপ্তি
৩০ মাৰ্চ, ২০১৭

**বেংকিং বিনিয়ম আইন, ১৯৪৯ (এ এ চি এছ)ৰ ধাৰা ৩৫কৰ অন্তৰ্গত নিৰ্দেশনা- আজিংক্যতাৰা সহকাৰী বেংক লিমিটেড, চাটাৰা, মহাৰাষ্ট্ৰ**

আজিংক্যতাৰা সহকাৰী বেংক লিমিটেড, চাটাৰা, মহাৰাষ্ট্ৰক দিনাংক ২৮ ছেপ্তেম্বৰ, ২০১৫ৰ নিৰ্দেশযোগে ৩০ ছেপ্তেম্বৰ,২০১৫ৰ ব্যৱসায় সামৰণিৰ পৰা নিৰ্দেশনাধীন কৰা হৈছিল। নিৰ্দেশনাটোৰ বৈধতা পৰৱৰ্তী নিৰ্দেশযোগে সময়ে সময়ে সম্প্ৰসাৰিত কৰি অহা হৈছিল যাৰ দিনাংক ২৮ ছেপ্তেম্বৰ,২০১৬ৰ শেহতীয়াটো ৩০ মাৰ্চ,২০১৭ পৰ্যন্ত পুনৰীক্ষণ সাপেক্ষে বাহাল আছিল।

ৰাইজক ইয়াৰ দ্বাৰা জনোৱা হয় যে আজিংক্যতাৰা সহকাৰী বেংক লিমিটেড, চাটাৰা, মহাৰাষ্ট্ৰক তেনেকৈ জাৰি কৰা দিনাংক ২৮ ছেপ্তেম্বৰ,২০১৫ৰ নিৰ্দেশাৱলীক ২০ মাৰ্চ,২০১৭ আদেশযোগে অতিৰিক্ত ছমাহ অবধিৰ বাবে পুনৰীক্ষণ সাপেক্ষে সম্প্ৰসাৰিত কৰা হৈছে।

উল্লেখিত নিৰ্দেশাৱলীৰ অন্যান্য চৰ্তাৱলী আৰু স্বৰ্তসমূহ অপৰিৱৰ্তিত আছে।

ওপৰোক্ত সংশোধনী সন্নিৱিষ্ট দিনাংক ২০ মাৰ্চ, ২০১৭ৰ নিৰ্দেশটোৰ এটা প্ৰতিলিপি ৰাইজে পঢ়াৰ বাবে বেংকটোৰ চৌহদত প্ৰদৰ্শন কৰা হৈছে। ভাৰতীয় ৰিজাৰ্ভ বেংকৰ দ্বাৰা উপৰিউক্ত সালসলনিক আপাতঃদৃষ্টিত বেংকটোৰ বিত্তীয় অৱস্থাত পৰ্যাপ্ত উন্নতিত ভাৰতীয় ৰিজাৰ্ভ বেংক সন্তুষ্ট হৈছে বুলি ধৰি লব নালাগে।

**অজিত প্ৰসাদ**
সহকাৰী উপদেষ্টা

**প্ৰেছ বিজ্ঞপ্তি - ২০১৬-২০১৭/২৬১৭**